**অসম বিধান সভা**

**তৰা বিহীন প্ৰশ্ন নং – ৪২৯**

**উত্তৰ দিয়াৰ তাৰিখ : ২২/০৭/২০২৬**

*বিষয়* : **অসমীয়া মানুহৰ সাংবিধানিক ৰক্ষা কৱচ** বিধায়ক : শ্ৰীঅখিল গগৈঃ

**প্ৰশ্ন**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰী তথ্য অনুসৰি বৰ্তমান অসমত ধৰ্মভিত্তিক (হিন্দু, মুছলমান, খ্ৰীষ্টান) মুঠ বিদেশীৰ সংখ্যা কিমান আৰু এই তথ্যৰ উৎস কি ? এন আৰ চি (NRC) ৰ বৰ্তমান আইনী স্থিতি কি ? ১৯৮৫ চনৰ পৰা বৰ্তমানলৈকে বছৰি কিমান বিদেশীক চিনাক্ত কৰা হ'ল, ভোটাৰ তালিকাৰ পৰা নাম কাটি বহিষ্কাৰ কৰা হ'ল ?

(খ) বাংলাদেশ, পাকিস্তান, আফগানিস্তান আদি দেশৰ সৈতে বিদেশী প্ৰত্যাৰ্পণ চুক্তিৰ স্থিতি কি ? বৰ্তমানৰ 'পুছবেক' পদ্ধতিৰ সাংবিধানিক বৈধতা আছেনে ? যোৱা ৫ বছৰত কিমান বিদেশীক কোন দেশলৈ পুছবেক কৰা হ'ল ? বাংলাদেশ সীমান্তৰ কিমান কিলোমিটাৰত কাঁটা তাঁৰৰ বেৰ দিবলৈ বাকী আছে ?

(গ) অসম চুক্তিৰ ৬ নং দফা সন্দৰ্ভত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদন সম্পূৰ্ণ কাৰ্য্যকৰী কৰাৰ আৰু অসমীয়াক সাংবিধানিক ৰক্ষাকৱচ দিয়াৰ নিৰ্দিষ্ট সময়সীমা কি ? ইয়াৰ অধীনত ৬ জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া কেতিয়ালৈ সম্পূৰ্ণ হ'ব ?

**উত্তৰ**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য মতে, অসম সীমান্ত আৰক্ষী সংস্থাৰ তথ্য অনুসৰি ৩১/০৫/২০২৬ তাৰিখ পৰ্যন্ত অসমত চিনাক্ত হোৱা মুঠ বিদেশীৰ ধৰ্মভিত্তিক সংখ্যা ( হিন্দু, মুছলমান, খ্ৰীষ্টান) এনেধৰণৰ :-

| | |
|---|---|
| হিন্দু | = ৬১,১৮৯ জন |
| মুছলমান | = ১,১১,৪১৪ জন |
| খ্ৰীষ্টান / অন্যান্য | = ৭০ জন |
| সৰ্বমুঠ | = ১,৭২,৬৭৩ জন |

State Coordinator, NRC ৰ পৰা পোৱা তথ্য অনুসৰি ৩১ আগষ্ট, ২০১৯ তাৰিখে এন আৰ চিৰ পৰিপূৰক তালিকা (Supplementary list) প্ৰকাশ কৰা হৈছিল । নাগৰিকত্ব ( নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান ) বিধি, ২০০৩ ৰ অনুসূচীৰ ৭ নং দফা অনুসৰি ভাৰতৰ মহাপঞ্জীয়কৰ ( Registrar General of India) দ্বাৰা বৰ্তমানলৈকে চূড়ান্ত এন আৰ চি প্ৰকাশ কৰিবলৈ বাকী আছে । মহামান্য উচ্চতম ন্যায়ালয়ৰ ১৩/০৮/২০১৯ তাৰিখৰ ডব্লিউ পি চি নং ২৭৪/২০০৯ ৰ আদেশমৰ্মে এন আৰ চি খনৰ তথ্য আধাৰৰ তথ্য নিৰাপত্তা ব্যৱস্থাৰ লেখিয়াকৈ কাৰ্য্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে আৰু এই আদেশমৰ্মে আই এছ এম এছ ( Information Security Management System) নীতি বৰ্তমান প্ৰক্ৰিয়াধীন ।

১৯৮৫ চনৰ পৰা ৩১/০৫/২০২৬ তাৰিখলৈ বছৰি বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা চিনাক্তকৰণ কৰা বিদেশীৰ মুঠ সংখ্যা = ১,৭২,৬৭৩ জন । তালিকা **Annexure-'A'** হিচাপে সংলগ্ন কৰা হৈছে ।

নিৰ্বাচন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ১৯৮৫ চনৰ পৰা বৰ্তমানলৈকে বিদেশী হিচাপে চিনাক্তকৰণৰ পিছত মুঠ ১২,২৬৯ জনৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে । এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে যেতিয়া এজন ভোটাৰক উপযুক্ত ন্যায়িক কৰ্তৃপক্ষই বিদেশী বুলি ঘোষণা কৰে, তেওঁলোকক ভোটাৰ তালিকাৰ পৰা আতৰাই দিয়া হয় আৰু এইটো এক অবিৰত প্ৰক্ৰিয়া।

১৯৮৫ চনৰ পৰা ৩০/০৬/২০২৬ তাৰিখলৈকে ৩১,৭৮৯ জন অবৈধ বিদেশীক বাংলাদেশলৈ প্ৰত্যাৱৰ্তন কৰা হৈছে।

(খ) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি বাংলাদেশ, পাকিস্তান, আফগানিস্তান আদি দেশৰ সৈতে বিদেশী প্ৰত্যাৱৰ্তন চুক্তিৰ বিষয়টো ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনস্থ বিষয় ।

বৰ্তমান অবৈধ বিদেশীসকলক বাংলাদেশলৈ "উভটাই পঠোৱা (Sending Back) ৰ কাম ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ (MHA) পত্ৰ নং 25022/28/2020-F.I (Part.III) dated 02/05/2025 অনুসৰি নিৰ্ধাৰিত কৰা প্ৰক্ৰিয়াৰ আধাৰত কৰি থকা হৈছে ।

আনহাতে, বৰ্তমান অবৈধ বিদেশীসকলক বাংলাদেশলৈ "বহিষ্কৰণ (Expulsion) কৰাৰ কাম অসম চৰকাৰে Immigrants (Expulsion from Assam) Act, 1950 ৰ অধীনত জাৰি কৰা কাৰ্যবাহী আদেশ নম্বৰ নং. PLB.230556/1203 dated 29th October, 2025 ৰ অনুসৰি কৰি থকা হৈছে ।

"ঘূৰাই পঠিওৱা" আৰু "বহিষ্কৰণ" – দুয়োটাই দেশত প্ৰচলিত আইনৰ সৈতে সামঞ্জস্যপূৰ্ণ ।

ক্ৰমশঃ

যোৱা ৫ বছৰত অসম (ভাৰত) ৰ পৰা বাংলাদেশলৈ উভতাই পঠোৱা আৰু বহিষ্কৃত কৰা অবৈধ বিদেশীসকলৰ বিতং তথ্য তলত দিয়া হ'ল ।

(i) Sent Back

| | |
|---|---|
| 2021 | = Nil |
| 2022 | = Nil |
| 2023 | = Nil |
| 2024 | = Nil |
| 2025 | = 1349 |
| 2026 (Till 30/06/2026) | = 223 |
| **Grand Total** | **= 1572** |

(ii) Expelled

| | |
|---|---|
| 2021 | = Nil |
| 2022 | = Nil |
| 2023 | = Nil |
| 2024 | = Nil |
| 2025 | = 47 |
| 2026 (Till 30/06/2026) | = 70 |
| **Grand Total** | **= 117** |

সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা তথ্য অনুসৰি- ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল (বন্ধ) কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ন্যস্ত। অসমত ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ মুঠ দৈৰ্ঘ্য হৈছে ২৬৭.৫ কিলোমিটাৰ (ছাৰ্ভে অব্ ইণ্ডিয়াৰ তথ্য অনুসৰি)। এই সীমান্ত ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ সৈতে লাগি আছে।

ইয়াৰে ২২৮.৫৪১ কিলোমিটাৰ অঞ্চল কাঁটাতঁৰৰ বেৰেৰে আবৃত কৰা হৈছে, আনহাতে ৩৮.৯৫৯ কিলোমিটাৰ এতিয়াও বেৰবিহীন হৈ আছে। এই বেৰবিহীন অংশৰ ভিতৰত ৩৪.৬০৯ কিলোমিটাৰ ধুবুৰী আৰু দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ নদীঞ্চলত (চৰ অঞ্চল) পৰে, য'ত কাঁটাতঁৰৰ বেৰ নিৰ্মাণ কৰাটো সম্ভৱ নহয়। বাকী ৪.৩৫ কিলোমিটাৰ শ্ৰীভূমি জিলাৰ কুশিয়াৰা নদীৰ পাৰত অৱস্থিত, য'ত বৰ্ডাৰ গাৰ্ড বাংলাদেশৰ (BGB) আপত্তিৰ বাবে কাঁটাতঁৰৰ বেৰ নিৰ্মাণ কৰিব পৰা নগ'ল, কিয়নো নদীৰ পাৰতে ভাৰতীয় বসতিস্থল আছে।

ভৌগোলিক প্ৰতিবন্ধকতাৰ বাবে নদী চৰ আৰু পাহাৰীয়া অঞ্চলত কাঁটাতঁৰৰ বেৰ নিৰ্মাণ কৰাটো কঠিন। সেই অনুসৰি, বেৰবিহীন নদীৰ অংশসমূহত সীমান্ত সুৰক্ষা বাহিনীয়ে (BSF) 'কম্প্ৰিহেন্সিভ ইণ্টিগ্ৰেটেড বৰ্ডাৰ মেনেজমেণ্ট চিষ্টেম' (CIBMS)-ৰ জৰিয়তে নিয়মীয়া নিৰীক্ষণ চলাই আহিছে। ইয়াৰ উপৰিও, অবজাৰ্ভেচন পোষ্ট (OPs), বাহনৰ তহলদাৰী, নাও তহলদাৰী, চিচিটিভি কেমেৰা, পিটিজেড (PTZ) কেমেৰা, CIBMS আৰু বি এছ এফৰ ৱাটাৰ উইঙৰ (Water Wing) জৰিয়তে নিয়মীয়া তহলদাৰী চলোৱা হয়। তদুপৰি, শ্ৰীভূমি জিলাৰ কুশিয়াৰা নদীৰ পাৰৰ বাকী থকা ৪.৩৫ কিলোমিটাৰ অংশও সীমান্ত সুৰক্ষা বাহিনীৰ (BSF) নিৰাপত্তা বেষ্টনীৰ অধীনত ৰখা হৈছে।

(গ) অসম চুক্তিৰ ৬নং দফা ৰূপায়ন সন্দৰ্ভত অৱসৰ প্ৰাপ্ত ন্যায়াধীশ শ্ৰী বিপ্লব কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন হোৱা উচ্চস্তৰীয় (High Level Committee) সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শ সমূহ সম্পূৰ্ণ ৰূপে কাৰ্যকৰীকৰণ আৰু অসমীয়া লোকক সাংবিধানিক ৰক্ষা কবচ দিয়াৰ বিষয় বস্তু সমূহৰ কোনো নিৰ্দিষ্ট সময় সীমা নাথাকে। কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া বিপ্লৱ কুমাৰ শৰ্মাৰ সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শ সমূহৰ ৫২ টা পৰামৰ্শ ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে আৰু শীঘ্ৰে ৰূপায়নৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় বাজেট ঘোষণা কৰা হৈছে।

৬ জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টো অসম চুক্তিৰ আওতাত নপৰে।

*****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট "https://cms.neva.gov.in"ত আপলোড কৰা হৈছে।

**ANNEXURE- "A"**

| Year wise data of persons declared as foreigners by the Foreigners' Tribunals in Assam from 1985 to 31/05/2026 | |
|---|---|
| Year | Number of persons declared as foreigners |
| 1985 | 45112 (Only cumulative data available) |
| 1986 | |
| 1987 | |
| 1988 | |
| 1989 | |
| 1990 | |
| 1991 | |
| 1992 | |
| 1993 | |
| 1994 | |
| 1995 | |
| 1996 | |
| 1997 | |
| 1998 | |
| 1999 | |
| 2000 | |
| 2001 | |
| 2002 | |
| 2003 | |
| 2004 | |
| 2005 | |
| 2006 | 60 |
| 2007 | 565 |
| 2008 | 2875 |
| 2009 | 3081 |
| 2010 | 2190 |
| 2011 | 2414 |
| 2012 | 2679 |
| 2013 | 2572 |
| 2014 | 2622 |
| 2015 | 2572 |
| 2016 | 3796 |
| 2017 | 13541 |
| 2018 | 28316 |
| 2019 | 16393 |
| 2020 | 7527 |
| 2021 | 7151 |
| 2022 | 9028 |
| 2023 | 6859 |
| 2024 | 6178 |
| 2025 | 5106 |
| 2026 (till 31/05/2026) | 2036 |
| **Grand Total** | **1,72,673** |